# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-08-2024
**Time :** 1800 Hrs

***Assamese Evening Bulletin***
***----------------------***

বিৰোধীৰ দুবাৰকৈ সদন ত্যাগ, সদন স্থগিত প্ৰস্তাৱ উত্থাপনৰ মাজেৰে অসম বিধানসভাৰ শৰৎকালীন অধিবেশন আজিৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ মাজতে আদিবাসী আৰু চাহ জনগোষ্ঠীৰ সৰ্বাংগীন সংস্থাপনৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেতবোৰ গুৰুত্বপূৰ্ণ ঘোষণা কৰে। প্ৰশ্নোত্তৰ কালেৰে আৰম্ভ হোৱা অধিবেশনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চৰকাৰে সকলো ধৰণৰ চাকৰিত এতিয়াৰেপৰা চাহ জনগোষ্ঠীৰ বাবে ৩ শতাংশ সংৰক্ষণৰ ব্যৱস্থা কৰাৰ বিষয়ে ঘোষণা কৰে। চাহ-বাগিচা অঞ্চলৰ বাট-পথৰ উন্নয়নৰ বাবে ৯০০ কোটি টকা ধাৰ্য কৰা হৈছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগে গ্ৰহণ কৰা উন্নয়নমূলক আঁচনিসমূহৰ উপৰি চৰকাৰৰ আন বিভাগে যুগুতোৱা বহু আঁচনিয়ে চাহ জনগোষ্ঠী তথা আদিবাসীসকলক উপকৃত কৰিছে। চৰকাৰৰ সমাগত নিযুক্তি মেলাত চাহ জনগোষ্ঠী আৰু আদিবাসী যুৱক-যুৱতীসকলে মেধা আৰু অন্যান্য পিছপৰা জাতি হিচাপে নিযুক্তি লাভ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে। কেইখনমান চাহ বাগিছাত স্থাপন হ'বলগীয়া মুঠ ১০খন মহাবিদ্যালয়ৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে প্ৰস্তাৱিত মহাবিদ্যালয়সমূহত একমাত্ৰ চাহ জনগোষ্ঠী আৰু আদিবাসী সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীয়েহে অধ্যয়ন কৰিব পাৰিব।

ইপিনে, মথাউৰিসমূহৰ নিৰীক্ষণৰ দায়িত্ব গাঁওৰক্ষী বাহিনীক দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। অসম গাঁও প্ৰতিৰক্ষা বাহিনী (সংশোধনী) বিধেয়কৰ জৰিয়তে সংগঠনটোৰ সংজ্ঞা, কৰ্তব্য আৰু কাৰ্য, সমিতিসমূহৰ গঠন, প্ৰশাসন আৰু নিয়ন্ত্ৰণ, পাৰিতোষিক ইত্যাদি বিষয়ত কেতবোৰ সংশোধনীৰ জৰিয়তে গাঁওৰক্ষী বাহিনীক শক্তিশালী আৰু আধুনিকীকৰণ কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে।

০০০০০০

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে ৰাজ্যখনত আইন শৃংখলা ৰক্ষাৰ বাবে অসম আৰক্ষী বদ্ধপৰিকৰ বুলি উল্লেখ কৰি সকলো স্তৰৰ আৰক্ষীৰ লোকসকলৰ লগতে সংশ্লিষ্ট সকলোকে এইক্ষেত্ৰত দায়িত্ব পালন কৰিবলৈ আহ্বান জনাইছে। আৰক্ষী সঞ্চালকপ্ৰধান শ্ৰী সিঙে সামাজিক মাধ্যমযোগে এই আহ্বান জনাই আইন উলংঘাকাৰী লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে আৰক্ষীক নিৰ্দেশ দিয়া হৈছে বুলিও উল্লেখ কৰে। তেওঁ ৰাজ্যখনত যিকোনো ধৰণৰ আইন উলংঘাকাৰী ঘটনা সংঘটিত হোৱাৰ ক্ষেত্ৰত তাৎক্ষণিক ব্যৱস্থা গ্ৰহণৰ বাবে আৰক্ষীৰ মাণ্ডলিক আৰু জিলা পৰ্যায়ৰ সকলো শীৰ্ষ বিষয়ালৈ পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰত ৰাজ্যখনত বিগত কিছুদিন ধৰি পৃথক জনগোষ্ঠীৰ লোকৰ মাজত হোৱা বিবাদৰ পৰিণতিত কেতবোৰ অপৰাধমূলক কাৰ্যকলাপ সংঘটিত হোৱাৰ বিষয়ে উল্লেখ কৰি এই ক্ষেত্ৰত আইন অনুসাৰে ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিছে। তদুপৰি জিলা পৰ্যায়ৰ আৰক্ষী গোট, থানা পৰ্যায়ৰ নাগৰিক সমিতি আৰু জিলা প্ৰশাসনক নিয়মীয়াকৈ বিভিন্ন জনগোষ্ঠীৰ প্ৰতিনিধিসকলৰ

সৈতে বৈঠক অনুষ্ঠিত কৰি শান্তি-সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ পৰামৰ্শ দিয়া হৈছে। কোনো পৰিস্থিতিতেই যাতে জনসাধাৰণে আইনৰ ঊৰ্ধলৈ গৈ কাৰ্যকলাপ সংঘটিত কৰিব নোৱাৰে এই দিশত চোকা দৃষ্টি ৰাখিবলৈ দায়িত্বত নিয়োজিত জিলা আৰু থানা পৰ্যায়ৰ আৰক্ষী বিষয়ালৈ নিৰ্দেশ দিয়া হৈছে। এনে পৰিস্থিতিত কোনো আৰক্ষী বিষয়াই আইন শৃংখলা ৰক্ষাত ব্যৰ্থ হ'লে তেনে বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হ'ব বুলিও আৰক্ষী সঞ্চালকপ্ৰধানগৰাকীয়ে সকীয়াই দিছে।

০০০০০০

মহিলা আৰু শিশু উন্নয়ন বিভাগৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী সাৱিত্ৰী ঠাকুৰে আজি দিনজোৰা কাৰ্যসূচীৰে মৰিগাঁও জিলাত উপস্থিত হৈ জিলাখনত মহিলা আৰু শিশুসকলৰ কল্যাণৰ বাবে ৰূপায়ণ কৰা চৰকাৰী আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীৰ সৈতে ৰাজ্য চৰকাৰৰ মহিলা শিশু উন্নয়ন আৰু বিত্ত বিভাগৰ মন্ত্ৰী অজন্তা নেওগ তথা অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰধানমন্ত্ৰীৰ বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে সহযোগিতাৰে ধবজাবাহী আঁচনিসমূহ তৃণমূল পৰ্যায়ৰ পৰা ৰূপায়ণৰ ব্যৱস্থা কৰিছে বুলি উল্লেখ কৰে। তেওঁ লগতে আঁচনিসমূহে গ্ৰামাঞ্চলৰ দুখীয়া পৰিয়ালক বিশেষভাৱে উপকৃত কৰিছে বুলি মন্তব্য কৰে।

০০০০০০

নগাঁও আৰক্ষীয়ে অভিযান চলাই ফৌজদাৰীপট্টিৰ নতুন বজাৰৰ এটা গৃহত বুজন পৰিমাণৰ মাদক দ্ৰব্য জব্দ কৰাৰ লগতে তিনিজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। জব্দ কৰা মাদক দ্ৰব্যখিনিৰ মূল্য কেইবালাখ টকা হ'ব বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০০

দেশজুৰি কাইলৈ প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় মহাকাশ দিৱস উদযাপন কৰা হ'ব। দিৱসৰ এই বছৰৰ বিষয়বস্তু হৈছে- চন্দ্ৰপৃষ্ঠৰ লগতে জীৱনকো স্পৰ্শ কৰা- ভাৰতৰ মহাকাশ গাথা। এই বিষয়বস্তুৱে মহাকাশ অন্বেষণে সমাজ আৰু প্ৰযুক্তিৰ ওপৰত বিস্তাৰ কৰা প্ৰভাৱক প্ৰতিফলিত কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাইলৈ ৰাষ্ট্ৰীয় মহাকাশ দিৱস উপলক্ষে নতুন দিল্লীৰ ভাৰত মণ্ডপমত হ'বলগীয়া মূল কাৰ্যসূচী মুকলি কৰিব। ড

কাইলৈ এই দিৱস উপলক্ষে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ছেনট্ৰেল ব্যুৰ' অৱ কমিউনিকেচনৰ উদ্যোগত খানাপাৰাৰ আঞ্চলিক বিজ্ঞান কেন্দ্ৰত আয়োজিত তিনিদিনীয়া মাল্টিমিডিয়া প্ৰদৰ্শনী ৰাজ্যত বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই উদ্বোধন কৰিব।

০০০০০০

গোলাঘাট জিলাৰ বৰপথাৰৰ সমাজকৰ্মী ভূবন দত্তৰ আজি যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। মৃত্যুৰ সময়ত দত্তৰ বয়স হৈছিল ৮৫ বছৰ। অসম আন্দোলন আৰু ভাষা আন্দোলনৰ সক্ৰিয় কৰ্মী দত্তৰ মৃত্যুত গোলাঘাটত শোকৰ ছাঁ পৰিছে।

০০০০০০

সমাপ্ত